SPM IAS ACADEMY
SHAPING BRILLIANCE

Civil Services (Main)
Examination- 2025

**SLPM–U–ASM**

অসমীয়া (প্ৰশ্নকাকত–I)

( সাহিত্য )

| নিৰ্ধাৰিত সময় : 3 ঘণ্টা | সৰ্বাধিক নম্বৰ : 250 |
|---|---|

## প্ৰশ্নোত্তৰ বহী-সম্পৰ্কীয় বিশেষ নিৰ্দেশনা

**প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱাঁ**

প্ৰশ্নকাকতখনত **দুটা** শাখাত **আঠটা** প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল **পাঁচটা** প্ৰশ্নৰ উত্তৰ কৰাঁ।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী **তিনিটাৰ** প্ৰত্যেকটো শাখাৰ পৰা কমেও **এটাকৈ** বাচি লৈ উত্তৰ কৰাঁ।

প্ৰতিটো প্ৰশ্নৰ মূল্যাংক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ অসমীয়াত কৰাঁ।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে কৰাঁ।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰাঁ। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰবো মূল্যাংকন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰাঁ।

---

# ASSAMESE (PAPER–I)

( LITERATURE )

| Time Allowed : Three Hours | Maximum Marks : 250 |
|---|---|

## QUESTION PAPER SPECIFIC INSTRUCTIONS

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in TWO Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

SPM IAS ACADEMY
SHAPING BRILLIANCE

## SECTION—A

**1.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* টামান শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) মূল ইণ্ডো-য়ুৰোপীয় ভাষা-পৰিয়ালৰ পৰা কিদৰে অসমীয়া ভাষাৰ উদ্ভৱ হৈছিল, আলোচনা কৰাঁ।

(b) মান্য অসমীয়া হিচাপে স্বীকৃত ভাষাটোৰ লগত কামৰূপী উপভাষাৰ শব্দসম্ভাৰ আৰু বাক্যগঠনৰ দিশ সামৰি এটি আলচ যুগুতোৱাঁ।

(c) অসমীয়া ভাষাত অনাৰ্যমূলীয় শব্দৰ প্ৰভাৱ তথা প্ৰয়োগৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰাঁ।

(d) অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ বৈশিষ্ট্য আৰু ব্যৱহাৰ সন্দৰ্ভত এটি নিবন্ধ যুগুতোৱাঁ।

(e) ত্ৰয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈ অসমীয়া লিপিৰ বিকাশৰ বুৰঞ্জী বিচাৰ কৰাঁ।

**2.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) চৰ্যাপদৰ সময়ৰ পৰা শংকৰদেৱৰ সময়লৈকে অসমীয়া ভাষাৰ বিকাশৰ ধাৰাটো আলোচনা কৰাঁ। 20

(b) অঞ্চলভেদে অসমীয়া ভাষাৰ প্ৰধান ৰূপসমূহৰ বিষয়ে লিখাঁ। 15

(c) 'কথা-গীতা' আৰু 'কথা-ভাগৱত'ৰ আধাৰত ৰচোঁতাৰ গদ্যৰীতিৰ বিচাৰ কৰাঁ। 15

SPM IAS ACADEMY
SHAPING BRILLIANCE

**3.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক দিশৰ প্ৰধান বৈশিষ্ট্যসমূহ উপযুক্ত উদাহৰণেৰে সৈতে আলোচনা কৰাঁ। 20

(b) বুৰঞ্জী আৰু চৰিতপুথিৰ গদ্যশৈলীৰ এটি তুলনামূলক নিবন্ধ যুগুত কৰাঁ। 15

(c) অসমীয়া ব্যঞ্জনবৰ্ণসমূহৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখি তাৰে যি কোনো পাঁচোটা বৰ্ণৰ শব্দৰ আদি, মধ্য আৰু অন্ত্য স্থানত হোৱা প্ৰয়োগ দেখুওৱাঁ। 15

**4.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) কিছুমান সংস্কৃত শব্দ কোনো পৰিৱৰ্তন নোহোৱাকৈ অসমীয়া ভাষাত ব্যৱহৃত হয় আৰু কিছুমান পালি-প্ৰাকৃত-অপভ্ৰংশৰ স্তৰবোৰৰ মাজেৰে আহি পৰিৱৰ্তিত ৰূপত অসমীয়া ভাষাত ব্যৱহৃত হয়। এনে ধৰণৰ শব্দবোৰৰ বিষয়ে খৰচি মাৰি আলোচনা কৰাঁ। 20

(b) অসমীয়া ভাষাত নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু স্ত্ৰী প্ৰত্যয়ৰ প্ৰয়োগ কৰি কিধৰণে শব্দৰ গঠন কৰা হয়, বিশদভাৱে লিখাঁ। 15

(c) "অসমীয়া লিপিৰ উৎপত্তি আৰু বিকাশৰ লগত ভাৰতীয় লিপিৰ ইতিহাস ঘনিষ্ঠভাৱে জড়িত।" এই উক্তিটোৰ সত্যাসত্য নিৰূপণ কৰাঁ। 15

SPM IAS ACADEMY
SHAPING BRILLIANCE

## SECTION—B

**5.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* টামান শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) অসমীয়া সাহিত্যৰ যুগবিভাজন কেনেদৰে কৰিব পৰা যায়, আনুমানিক সময়সীমাৰ উল্লিখনসহ আলোচনা কৰাঁ।

(b) অসমীয়া সাহিত্যৰ সমালোচনাৰ ধাৰাটোৰ বিষয়ে লিখাঁ।

(c) অংকীয়া নাট আৰু ঝুমুৰাৰ বিষয়ে এটি তুলনাত্মক আলচ যুগুত কৰাঁ।

(d) অসমীয়া ৰোমাণ্টিক কবিতাৰ অংকুৰণ ক'ত, কেনেদৰে ঘটিছিল সেই বিষয়ে লিখাঁ।

(e) চৰ্যাপদসমূহ কোনে, কেতিয়া, কেনেকৈ, ক'ৰ পৰা উদ্ধাৰ কৰি আনি প্ৰকাশ কৰিছিল? এই পদসমূহৰ বিশেষত্বৰ বিষয়ে লিখাঁ।

**6.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) অসমীয়া উপন্যাস, কবিতা, ভ্ৰমণকাহিনী, অনুবাদ আদি সাহিত্যৰ বিভিন্ন দিশত আধুনিকতাৰ আধাৰশিলা স্থাপন কৰাত 'অৰুণোদই'-ৰ ভূমিকা বিচাৰ কৰাঁ। 20

(b) অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ গ্ৰন্থ হিচাপে মহেশ্বৰ নেওগৰ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা'ৰ বিষয়ে এটি সমালোচনাত্মক নিবন্ধ যুগুত কৰাঁ। 15

(c) জোনাকী যুগৰ ত্ৰিমূৰ্তি বুলিলে কাক কাক বুজোৱা হয়? অসমীয়া সাহিত্যলৈ এই ত্ৰিমূৰ্তিৰ অৱদানৰ বিষয়ে লিখাঁ। 15

**7.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত আলোচনীভিত্তিক প্ৰধান যুগকেইটাৰ বিষয়ে এটি নিবন্ধ প্ৰস্তুত কৰাঁ। 20

(b) অসমীয়া সাহিত্যত সমালোচক হিচাপে সত্যেন্দ্ৰনাথ শৰ্মাৰ স্থান নিৰূপণ কৰাঁ। 15

(c) অসমীয়া নাটকৰ ইতিহাসৰ মাইলৰ খুঁটিস্বৰূপ নাটকৰ উদাহৰণ দাঙি ধৰি নাটকৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। 15

**8.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'শংকৰ-পূৰ্ব যুগৰ অসমীয়া সাহিত্য' শীৰ্ষক এটি প্ৰবন্ধ প্ৰস্তুত কৰাঁ। 20

(b) আৱাহন যুগৰ প্ৰধান গল্পকাৰকেইজনৰ গল্পৰ আধাৰত সেই যুগৰ গল্পৰ বিষয়বস্তু আৰু আংগিক বিশ্লেষণ কৰাঁ। 15

(c) অসমীয়া উপন্যাসৰ আদিৰে পৰা বৰ্তমানলৈকে নাৰী চৰিত্ৰ কিদৰে উপস্থাপন কৰা হৈছে সেই সন্দৰ্ভত আলোচনা কৰাঁ। 15

★ ★ ★



SPM IAS ACADEMY
SHAPING BRILLIANCE

SPM IAS ACADEMY
SHAPING BRILLIANCE